**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অষ্টাদশ এচিয়া প্ৰশান্ত সন্মিলনক সম্বোধন কৰে।

২। অসমৰ পাঁচটা সমষ্টিৰ বিধানসভা নিৰ্বাচনৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৭ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব।

*আৰু*

৪। পুনেত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলৰ আজি দ্বিতীয় দিনা ভাৰতে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ১৫৬ ৰান সংগ্ৰহ কৰে।০০০০০০০

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাৰ্মানীৰ চেঞ্চলাৰ অ'লাফ ছোল্জ আজি নতুন দিল্লীত সপ্তম আন্তঃচৰকাৰী পৰামৰ্শ বৈঠকত সহ অধ্যক্ষতা কৰে। শ্ৰীছোল্জ যোৱানিশা তিনিদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। আন্তঃচৰকাৰী পৰামৰ্শ বৈঠক পূৰ্ণ চৰকাৰী মঞ্চ আৰু ইয়াৰ অধীনত দুয়োপক্ষৰ মন্ত্ৰীসকলে নিজ নিজ ক্ষেত্ৰৰ দায়িত্ব সম্পৰ্কে আলোচনা কৰি ইয়াৰ প্ৰতিবেদন প্ৰধানমন্ত্ৰী আৰু চেন্সেলৰৰ হাতত প্ৰদান কৰে।

দুয়োগৰাকী নেতাই সুৰক্ষা আৰু প্ৰতিৰক্ষা সহযোগিতা, ঘনিষ্ঠ অৰ্থনৈতিক সহযোগিতা, সেউজ আৰু বহনক্ষম উন্নয়ন অংশীদাৰিত্ব তথা উদীয়মান আৰু কৌশলগত প্ৰযুক্তিৰ ক্ষেত্ৰৰ সহযোগিতা সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে আজি দ্বিপাক্ষিক বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰত আৰু জাৰ্মানীৰ সম্পৰ্ক প্ৰতিটো স্তৰতে সুদৃঢ় কৰি আহিছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে ভাৰত-জাৰ্মাণীৰ কৌশলগত অংশীদাৰিত্বই ২৫ বছৰ অতিক্ৰম কৰি আগন্তুক সময়ত এই সম্পৰ্কক নতুন উচ্চতা প্ৰদান কৰিব বুলিও উল্লেখ কৰে। নতুন দিল্লীত অনুষ্ঠিত ১৮ সংখ্যক এছিয়া স্পেছিফিক সন্মীলনত ভাৰত বৈচিত্ৰ্য আৰু বিপদমুক্তকৰণৰ সৰ্ববৃহৎ কেন্দ্ৰ হৈ পৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চল বিশ্বৰ ভৱিষ্যতৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলিও প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে অষ্টাদশ এচিয়া প্ৰশান্ত সন্মিলনক সম্বোধন কৰি এইদৰে কয়—

*(বাইট)*

০০০০০০০

ঝাৰখণ্ডৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ মনোনয়ন দাখিলৰ আজি অন্তিম দিন। প্ৰাৰ্থীসকলে আজি বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ঝাৰখণ্ডত প্ৰথম পৰ্যায়ত অহা ১৩ নৱেম্বৰত ৪৩ টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যন্ত ৭৪৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। প্ৰাৰ্থীসকলে অহা ৩০ অক্টোবৰলৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব।

আনহাতে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে আজিৰ পৰা ভোটাৰৰ মাজত খচৰা ভোটাৰ তালিকাৰ বিতৰণ আৰম্ভ কৰিছে। অহা ১৩ নৱেম্বৰত ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মুখ্য নিৰ্বাচনী বিষয়া কে. ৰবি কুমাৰে কৈছে যে খচৰা ভোটাৰ তালিকাসমূহ ৫ নবেম্বৰলৈকে বিতৰণ কৰা হ'ব।

আনহাতে নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত চলা অভিযানত আপত্তিজনক সামগ্ৰীৰ লগতে ২৭ কোটিৰো অধিক নগদ ধন জব্দ কৰা হৈছে।

০০০০০০০

অসমৰ পাঁচটা সমষ্টিৰ বিধানসভা নিৰ্বাচনৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। আমাৰ বাতৰি যুগুত কৰা পৰলৈকে বিহালী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী জয়ন্ত বৰাই মনোনয়ন পত্ৰ দাখিল কৰিবলৈ সমৰ্থকৰ সৈতে ৰাওনা হৈছে। প্ৰাৰ্থীগৰাকীক কংগ্ৰেছৰ ৰাজ্যিক সমিতিৰ শীৰ্ষ নেতৃত্বৰ লগতে সাংসদ গৌৰৱ গগৈয়ে সংগ দিছে। আনহাতে ছিদলী বিধানসভা সমষ্টিৰ বি পি এফৰ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে আজি মনোনয়ন-পত্ৰ দাখিল কৰিব। প্ৰাৰ্থীগৰাকীক বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে সংগ দিছে। বঙাইগাঁৱৰ অগপৰ প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰীয়েও সমৰ্থকৰ সৈতে মনোনয়ন পত্ৰ দাখিল দিশে আগবাঢ়িছে। লগতে সমষ্টিটোৰ কংগ্ৰেছৰ প্ৰাৰ্থী ব্ৰজেন জিৎ সিংহয়ো আজি মনোনয়ন দাখিল কৰিব।

বৰ্তমানলৈকে ৰাজ্যৰ পাঁচটা সমষ্টিৰ বাবে মুঠ ১৪গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

০০০০০০০

ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে দীপাৱলী উদযাপন বিশেষ কৰি তুলিবলৈ অসম চৰকাৰে ২৮ অক্টোবৰৰ পৰা তেওঁলোকৰ দৰমহা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে উল্লেখ কৰি আগতীয়াকৈ দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৭ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটিৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। আজি দিহা-পৰামৰ্শসমূহ আগবঢ়োৱাৰ অন্তিম দিন।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

অহা ২৭ অক্টোবৰত অনুষ্ঠিত হ'বলগীয় চতুৰ্থবৰ্গৰ পৰীক্ষা সন্দৰ্ভত আজি চতুৰ্থবৰ্গৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধ্যক্ষ তথা অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে এখন সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলখনত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনৰ লগতে আয়ুক্ত সচিব তথা নিযুক্তি আয়োগৰ সদস্য জয়ন্ত নাৰ্লিকাৰকে ধৰি অন্যান্য বিষয়াসকলো উপস্থিত থাকে। উল্লেখযোগ্য যে ২৮ খন জিলাত ৪২টা বিভাগৰ বাবে মুঠ পাঁচ হাজাৰ ২৩টা খালী পদৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হ'ব। পুৱা ৯ বজাৰ পৰা দশম শ্ৰেণী উত্তীৰ্ণৰ বাবে প্ৰথম বেলাৰ পৰীক্ষাৰ বিপৰীতে ডেৰ বজাৰ পৰা অষ্টম শ্ৰেণী উত্তীৰ্ণৰ বাবে দ্বিতীয় বেলাৰ পৰীক্ষা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে দুয়োবেলাৰ পৰীক্ষাত ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ্থীসকলক আগতীয়াকৈ গৈ পৰীক্ষা কেন্দ্ৰসমূহ চাই অহাৰ লগতে মহিলা পৰীক্ষাৰ্থীৰ তালাচীৰ বাবে অংগনবাড়ী কৰ্মীৰ নিয়োগ কৰা হ'ব বুলি নিযুক্তি আয়োগে জানিবলৈ দিয়ে।

০০০০০০০

ন্যায়াধীশ সঞ্জীৱ খান্না দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হ'ব। আইনমন্ত্ৰী অৰ্জুনৰাম মেঘৱালে সামাজিক মাধ্যম যোগে কৈছে যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বৰ্তমানৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ সৈতে আলাপ আলোচনাৰ অন্তত ন্যায়াধীশ খান্নাক ১১ নৱেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিছে। ন্যায়াধীশ খান্না দেশৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হ'ব আৰু তেওঁ অহা বছৰ ১৩ মে'ত অৱসৰ গ্ৰহণ কৰিব। ন্যায়াধীশ খান্নাই ২০১৯ চনৰ ১৮ জানুৱাৰীত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। এই সময়চোৱাত তেওঁ সৰ্বোচ্চ ন্যায়ালয়ৰ বিভিন্ন সাংবিধানিক বিচাৰ পীঠত কাম কৰিছে আৰু ভালেমান গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে। ন্যায়াধীশগৰাকীৰ ৰায়দানত ব্যক্তিগত স্বাধীনতাৰ প্ৰাধান্য আৰু শক্তিশালী গণতান্ত্ৰিক অংশগ্ৰহণ প্ৰক্ৰিয়াই গুৰুত্ব লাভ কৰা পৰিলক্ষিত হৈছে।

বৰ্তমানৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে ২০২২ চনৰ ৯ নৱেম্বৰত  কাৰ্যভাৰ গ্ৰহণ কৰিছিল। তেওঁ অহা ১০ নৱেম্বৰত অৱসৰ গ্ৰহণ কৰিব।

০০০০০০০

বম্বে উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে আজি পাঁচগৰাকী নতুন ন্যায়াধীশে শপত গ্ৰহণ কৰে। বম্বে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি কে উপাধ্যায়ে নিবেদিতা প্ৰকাশ মেহতা, প্ৰফুল্ল সুৰেন্দ্ৰ কুমাৰ সুবালকাৰ, অশ্বিন দামোদৰ ভোবে, ৰোহিত ৰাসুদেও যোশী আৰু অদ্বৈত মহেন্দ্ৰ ছেথনাক শপতনামা পাঠ কৰোৱায়। উল্লেখযোগ্য যে, আজিৰ পৰা দুবছৰৰ বাবে ন্যায়াধীশসকলে কাৰ্যনিৰ্বাহ কৰাৰ পিছত তেওঁলোকক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়াৰ সম্ভাৱনা আছে।

0000000

পুনেত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলৰ আজি দ্বিতীয় দিনা ভাৰতে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ১৫৬ ৰান সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ মিছেল ছাটনাৰে ৫৩ ৰানৰ বিনিময়ত সাতটা উইকেট দখল কৰাৰ লগতে গ্লেন ফিলিপে ২৬ ৰানৰ বিনিময়ত দুটা উইকেট দখল কৰে।

ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজাই ৩৮ ৰান সংগ্ৰহ কৰে।

0000000

**সমাপ্ত**